# গৰ্ভপূৰ্বৰ্ক আৰু গৰ্ভস্থ ভ্ৰূণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন-১৯৯৪

(১৯৯৪ ৰ ৫৭)

১৯৯৬ চনৰ নিয়মাৱলী (২০১১ চনৰ সংশোধিত জি,এচ,আৰ ৪২৬ তাৰিখ ৩১/৫/২০১১ ৰ দ্বাৰা সংশোধিত নিয়মাৱলী) সহ।

# The Pre-conception and Pre-natal Diagnostic Techniques (Prohibition of Sex Selection) Act.-1994

**(57 & of 1994)**

**along with**

**Rules, 1996**

**as amended by**

**Amendment Rules, 2011**

**(G.S.R. 426 (E), dated 31-5-2011 with effect from 31-5-2011)**

2012

BARE ACT

with short comments

**মূল আইন**

**চমু মন্তব্য সহ**

**English :** Professional Book Publishers, Delhi

**Assamese Translation made by:** Political Department of Assam Secretariat, Dispur and Directorate of Health Services (FW) Assam

**Copy Reserved at :** State PNDT Cell under The Directorate of Health Services, (FW), Assam Swasthya Bhawan, Hengrabari, Guwahati-781036

Printed by : *F.M. Printers, Six Mile, Panjabari Road, Guwahati-37*

# নির্দ্দেশনা

এই গ্ৰন্থখনি যদিওবা সৰ্বতো প্ৰকাৰে যত্ন সহকাৰে প্ৰকাশ কৰা হৈছে, কোনো ভূল অথবা বিলুপ্তিৰ বাবে কোনো ব্যক্তিৰ হানি অথবা অনিষ্টকৰ কাৰক হয় তেনেহলে প্ৰকাশক, লেখক, বিতাৰক আৰু মুদ্ৰণ কৰোতা সকল দায়ী নহব, যিটো সময়ত সংশোধন কৰা হ'ব। পঢ়ুৱৈ সৰ্কলক চৰকাৰী প্ৰকাশন অথবা অধিসূচনা ইত্যাদিৰ সৈতে এই প্ৰকাশনৰ সকলো বিষয়, আইন আৰু বিষয়বস্তু ইটোৰ লগত সিটোৰ সান-মিহলি কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। এই গ্ৰন্থৰ কোনো অংশ নতুনকৈ অথবা নকল কোনো আকাৰত বা কোনো প্ৰকাৰে প্ৰকাশক সকলৰ আগতীয়া অনুমতি অবিহনে প্ৰকাশ কৰিব নোৱাৰিব।

মুদ্ৰকৰ ভুল বন্ধা, ভুল মুদ্ৰণ অথবা পৃষ্ঠা হেৰাই যোৱা ইত্যাদিৰ বাবে এই একে সংস্কৰণ ক্ৰয় কৰাৰ ৩০ দিনৰ ভিতৰত পুনৰ সংস্থাপন কৰিবলৈ দায়বদ্ধ থাকিব। এই সম্পৰ্কৰ সকলো খৰচ মুদ্ৰকে বহন কৰিব।

সকলো বিতৰ্ক দিল্লী আৰু ৰাজ্যিক কৰ্ত্তৃপক্ষৰ নিয়ন্ত্ৰণাধীন।

# -সূচীপত্ৰ-


| ধাৰা | অধ্যায়-১ | | পৃষ্ঠা |
|---|---|---|---|
| | **প্ৰস্তাৱনা** | | |
| ১। | সংক্ষিপ্ত নাম, প্ৰসাৰ আৰু আৰম্ভণী। | - | ৩ |
| ২। | সংজ্ঞা। | - | ৩ |
| | **অধ্যায়-২** | | |
| | **জন্মৰ বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ আৰু ক্লিনিক বোৰৰ বিনিয়ম** | | |
| ৩। | জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গবেষণাগাৰ আৰু ক্লিনিক সমূহৰ এই আইন বলবৎ হোৱাৰ পিচৰ পৰা। | - | ৫ |
| | ক- লিংগ নিৰ্ণয় নিষিদ্ধকৰণ। | - | ৬ |
| | খ- এই আইনৰ অধীনত পঞ্জীয়ণভূক্ত নকৰা ব্যক্তি, গবেষণাগাৰ, ক্লিনিক ইত্যাদি সমূহলৈ আল্ট্ৰাচাউণ্ড মেচিন বিক্ৰী নিষেধাজ্ঞা। | - | ৬ |
| | **অধ্যায়-৩** | | |
| | **জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা সমূহৰ বিনিয়ম** | | |
| ৪। | জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা সমূহৰ বিনিয়ম। | - | ৭ |
| ৫। | গৰ্ভৱতী মহিলা গৰাকীৰ লিখিত সন্মতি আৰু ভ্ৰূণৰ লিংগ যোগসূত্ৰত নিষেধাজ্ঞা। | - | ৮ |
| ৬। | লিংগ নিষিদ্ধকৰণৰ সংকল্প। | - | ৯ |
| | **অধ্যায়-৪** | | |
| | **কেন্দ্ৰীয় পৰ্যবেক্ষণ বৰ্ড** | | |
| ৭। | কেন্দ্ৰীয় পৰ্যবেক্ষণ বৰ্ডৰ সংবিধান। | - | ৯ |
| ৮। | সদস্য সকলৰ কাৰ্যকাল। | - | ১০ |
| ৯। | বৰ্ডৰ বৈঠক। | - | ১১ |
| ১০। | খালীপদ, ইত্যাদি বৰ্ডৰ কাৰ্যব্যৱস্থা অগ্ৰাহ্য নকৰিলে। | - | ১১ |
| ১১। | নিৰ্দিষ্ট উদ্দেশ্যৰ হ'কে বৰ্ডৰ সৈতে ব্যক্তিক সাময়িক সহযোগ। | - | ১১ |
| ১২। | বৰ্ডৰ বিষয়া আৰু অন্যান্য কৰ্মচাৰী বৰ্গৰ নিযুক্তি। | - | ১২ |
| ১৩। | বৰ্ডৰ নিৰ্দেশ আৰু অন্যান্য দলিল সমূহৰ সত্যাসত্য নিৰূপন। | - | ১২ |
| ১৪। | সদস্য হিচাপে নিয়োগ কৰিবলৈ অযোগ্যতা। | - | ১২ |
| ১৫। | পুনৰ নিযুক্তিৰ বাবে সদস্য সকলৰ যোগ্যতা। | - | ১২ |
| ১৬। | বৰ্ডৰ কাৰ্যাৱলী। | - | ১২ |
| | (ক) ৰাজ্যিক পৰ্যবেক্ষণ বৰ্ডৰ সংবিধান আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰ্যবেক্ষন বৰ্ড | - | ১৩ |

ধাৰা | পৃষ্ঠা

## অধ্যায়- ৫

### উপযুক্ত প্ৰাধিকাৰী আৰু পৰামৰ্শদাতা সমিতি


১৭। প্ৰকৃত প্ৰাধিকাৰী আৰু পৰামৰ্শদাতা সমিতি। - ১৫
১৭।(ক) প্ৰকৃত প্ৰাধিকাৰী সকলৰ ক্ষমতা । - ১৭


## অধ্যায়-৬

### জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, জন্ম বিষয়ক গৱেষণাগাৰ আৰু ক্লিনিক বোৰৰ পঞ্জীয়ণ কৰণ


১৮। জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, জন্ম বিষয়ক গৱেষণাগাৰ বা জন্ম বিষয়ক ক্লিনিক। - ১৭
১৯। পঞ্জীয়ণৰ প্ৰমাণ পত্ৰ। - ১৮
২০। পঞ্জীয়ণৰ নাকচকৰণ আৰু প্ৰত্যাহান - ১৮
২১। আপিল আবেদন। - ১৯


## অধ্যায় - ৭

### অপৰাধ আৰু জৰিমণা


২২। গৰ্ভধাৰণ আৰু জন্মৰ পূৰ্বে লিংগ নিৰ্ণয় সম্পৰ্কিত বিজ্ঞাপনৰ নিষেধাজ্ঞা আৰু উলংঘণৰ বাবে শাস্তি। - ১৯
২৩। অপৰাধ আৰু শাস্তি। - ২০
২৪। জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা পৰিচালনা কৰাৰ ক্ষেত্ৰত ধাৰণা যদিওবা, কোনো বিষয়বস্তু ভাৰতীয় সাক্ষ্য আইন। - ২১
২৫। আইন অথবা নিয়মাৱলীৰ ব্যৱস্থা সমূহৰ উলংঘনৰ কাৰণে জৰিমণা যাৰ বাবে কোনো নিৰ্দিষ্ট শাস্তিৰ ব্যৱস্থা নাই। - ২২
২৬। কোম্পানী সমূহৰ অপৰাধ। - ২২
২৭। অপৰাধ ধৰ্ত্তব্য, জামিন বিহীন আৰু আপোচ বিহীন - ২২
২৮। অপৰাধৰ বিচাৰ। - ২২


## অধ্যায়-৮

### সান মিহলি


২৯। তথ্য পাতিৰ পৰিচালনা। - ২৩
৩০। তথ্য পাতি ইত্যাদি অনুসন্ধান আৰু জব্দ কৰাৰ ক্ষমতা। - ২৩
৩১। বিশ্বাস যোগ্যতাৰ ভিত্তিত গ্ৰহণ কৰা কাৰ্যৰ সুৰক্ষা। - ২৪
(ক) বাধাসমূহৰ আঁতৰ কৰণ - ২৪
৩২। আইন প্ৰণয়ন ক্ষমতা। - ২৪
৩৩। বিনিয়ম প্ৰণয়নৰ ক্ষমতা। - ২৬
৩৪। সংসদত উত্থাপন আৰু দাখিল কৰিব লগীয়া নিয়মাৱলী আৰু বিনিয়ম সমূহ।- ২৬

## গৰ্ভধাৰণ আৰু জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (লিংগ নিৰ্ণয় নিষিদ্ধ কৰণ নিয়মাৱলী, ১৯৯৬ বিধি)


| ধাৰা | | | পৃষ্ঠা |
|---|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ। | - | ২৭ |
| ২। | সংজ্ঞা। | - | ২৭ |
| ৩। | নূন্যতম অৰ্হতা। | - | ২৭ |
| | ক) আল্ট্ৰাচাউণ্ড মেচিন/ইমাজিং মেচিনৰ বিক্ৰী | - | ৩১ |
| ৪। | জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰৰ পঞ্জীয়ণ। | - | ৩১ |
| ৫। | আবেদন মাচুল। | - | ৩২ |
| ৬। | পঞ্জীয়ণৰ প্ৰমাণ পত্ৰ। | - | ৩৩ |
| ৭। | পঞ্জীকৰণৰ বৈধতা। | - | ৩৪ |
| ৮। | পঞ্জীয়ণৰ নবীকৰণ। | - | ৩৪ |
| ৯। | তথ্য পাতিৰ পৰিচালনা আৰু সংৰক্ষণ। | - | ৩৫ |
| ১০। | জন্মৰ আগতীয়া চিনাক্তকৰণৰ প্ৰক্ৰিয়াসমূহৰ চৰ্ত। | - | ৩৬ |
| ১১। | পৰিদৰ্শনৰ সুবিধা। | - | ৩৬ |
| ১২। | তালাচি আৰু জব্দ প্ৰক্ৰিয়া। | - | ৩৭ |
| ১৩। | কৰ্মচাৰীবৃন্দ, স্থান অথবা সা-সঁজুলিৰ সাল সলনিৰ অৱগতি। | - | ৩৮ |
| ১৪। | বিশ্লেষণ, পৰীক্ষা আৰু জন্মৰ আগতীয়া চিনাক্ত কৰণ প্ৰক্ৰিয়াৰ চৰ্তাৱলী | - | ৩৮ |
| ১৫। | পৰামৰ্শদাতা সমিতিৰ বৈঠক। | - | ৩৮ |
| ১৬। | কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ডৰ সদস্য সকলৰ ভাট্টা। | - | ৩৮ |
| ১৭। | ৰাজহুৱা সূচনা। | - | ৩৯ |
| ১৮। | ...................................... | | |
| ১৯। | আবেদন | - | ৪০ |
| | অনুসূচী -১ (ক্ৰমে) | - | ৪১ |
| | অনুসূচী -২ (ক্ৰমে) | - | ৪১ |
| | অনুসূচী -৩ (ক্ৰমে) | - | ৪১ |
| | প্ৰ-পত্ৰ - | - | ৪৪ |


----------

## আইনৰ সংশোধিত তালিকা

১। জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (অপব্যৱহাৰৰ বিনিয়ম আৰু বাধা আৰোপ) সংশোধিত আইন, ২০০১ (২০০১ ৰ ৩২)।

২। জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (অপব্যৱহাৰৰ বিনিয়ম আৰু বাধা আৰোপ) সংশোধিত আইন, ২০০৩ (২০০৩ ৰ ১৪)।

# গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিংগ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন, ১৯৯৪

## (১৯৯৪ ৰ ৫৭)

(২০ চেপ্তেম্বৰ, ১৯৯৪)

১। [গৰ্ভধাৰণৰ পূৰ্বে অথবা পিছত, লিংগ নিৰ্ণয়ৰ কাৰণে আৰু জন্ম, অনিয়মতা অথবা ৰাসায়নিক পৰিবৰ্তন নাইবা ক্ৰম'জমৰ অনিয়মতা নাইবা নিশ্চিত অনিয়মতা বিকাৰ বা লিংগ সম্পৰ্কিত বিশৃংখলতাৰ উদেশ্যে আৰু কন্যা ভ্ৰুণৰ হত্যাৰ প্ৰতি সংকল্প লোৱা লিংগ বিষয়ক অপব্যৱহাৰৰ প্ৰতিৰোধৰ হকে আৰু এই সম্পৰ্কৰ অৰ্ন্তনিৰ্হিত বিষয়ৰ বাবে বা তেনে ঘটনাৰ কাৰণে আইনৰ এক ব্যৱস্থা কৰা হৈছে।]

স্বাধীনতাৰ ৪৫ বছৰৰ ভিতৰত সংসদৰ দ্বাৰা তলত উল্লেখ কৰা ধৰণে আইন ৰূপায়ণ কৰা হৈছে।

**উদ্দেশ্য আৰু যুক্তিৰ ব্যাখ্যা ঃ**

(১) কন্যা ভ্ৰুণ হত্যাৰ প্ৰবৃত্তিৰ কাৰণে জন্মৰ আগতীয়া লিংগ নিৰ্ণয় সংকল্প ব্যৱস্থা নিষিদ্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এনে অপব্যৱস্থা মহিলা লিংগৰ কাৰণে অ-বাধিত আৰু মহিলা সকলৰ মৰ্যদা আৰু সন্মানত আঘাত হবলে এনেকুৱা ব্যৱস্থা নিয়মমতে ব্যৱহাৰৰ কাৰণে আৰু এনে অমানবীয় কাৰ্য বন্ধ কৰিবলৈ আৰু বিভিন্ন শাস্তিৰ ব্যৱস্থাৰ হকে এক আইন প্ৰণয়ন কৰাৰ আৱশ্যক।

(২) **বিধেয়ক খনৰ অন্যান্য বিষয়ৰ বাবে ব্যৱস্থা—**

(ক) কন্যাভ্ৰুণ হত্যাৰ বাবে উদ্‌গনি যোগোৱা বা জন্মৰ আগতীয়া ভ্ৰুণৰ লিংগ নিৰ্ণয়ৰ অপব্যৱস্থা নিষিদ্ধ কৰণ।

(খ) জন্মৰ আগতীয়া লিংগ চিনাক্ত আৰু নিৰ্দ্ধাৰিণ কৰাৰ নিৰ্ণয় ব্যৱস্থাৰ প্ৰচাৰ নিষিদ্ধ কৰণ।

(গ) জন্মৰ বিশেষ অনিয়মতা আৰু বিকাৰ চিনাক্ত কৰাৰ উদ্দেশ্যে জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা ব্যৱহাৰৰ অনুমতি আৰু বিনিময়।

(ঘ) পঞ্জীয়ণভূক্ত প্ৰতিষ্ঠান সমূহে নিৰ্দিষ্ট কোনো পৰিস্থিতিত কেৱল এনেকুৱা ব্যৱস্থা প্ৰয়োগ কৰাৰ অনুমতি।।

(ঙ) এই প্ৰণয়ন কৰা আইনৰ ব্যৱস্থাৰ বিৰুদ্ধাচৰণৰ কাৰণে শাস্তিৰ ব্যৱস্থা।

**২০০১ ৰ ৩২ ৰ সংশোধনী উদ্দেশ্য ব্যাখ্যা আৰু যুক্তি যুক্ততা ঃ-** জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা (অপব্যৱহাৰ আৰু বাধা আৰোপ) আইন, ১৯৯৪ আৰু ইয়াৰ অধীনত প্ৰণয়ণ কৰা বিধিসমূহ ১৯৯৬ ৰ ১ জানুৱাৰীৰ পৰা বলবৎ হ'ব। জন্মৰ পূৰ্বে জন্ম বিষয়ক বা বিশৃংখলতা ক্ৰমজ'মৰ অনিয়মতা পৰিবৰ্তন, লিংগ বিষয়ক বিশৃংখলতাৰ নিৰ্দিষ্ট শাৰীৰিক বিকৃতিৰ চিনাক্তকৰণ কৰা ব্যৱস্থাৰ ব্যৱহাৰৰ বাবে আৰু কন্যাভ্ৰুণ হত্যাৰ প্ৰবৃত্তি যোগোৱা জন্মৰ আগেয়ে নিৰূপণ ব্যৱস্থাৰ অপ-প্ৰয়োগৰ প্ৰতিবন্ধকতাৰ বাবে আৰু ইয়াৰ সংশ্লিষ্ট বিষয় অথবা ইয়াৰ আনুসংগিক সন্দৰ্ভত আইনখনে ব্যৱস্থা কৰিছে।

২। আইনখনৰ অনুসূচী-৭ ৰ অধীনত গঠন কৰা কেন্দ্ৰীয় পৰ্যবেক্ষণ বৰ্ডখনে সংসদৰ ৩ গৰাকী মহিলা সদস্যাৰ অন্তভূক্তি কৰিছে। বৰ্তমানে সাংসদৰ সদস্য গৰাকীক মন্ত্ৰী বা ৰাজ্যিক মন্ত্ৰী বা উপ-মন্ত্ৰী বা লোকসভাৰ অধ্যক্ষ, উপাধ্যক্ষ অথবা ৰাজ্যসভাৰ উপাধ্যক্ষ হোৱাৰ পিছত সদস্যপদ স্থানান্তৰিত কৰাৰ বিবেচনা কৰিবলৈ কোনো ব্যৱস্থা আইনখনত নাই।

৩। আইনখনৰ সংশ্লিষ্ট ব্যৱস্থা সংশোধন কৰি কাৰ্য দেয়ক খনে উপৰোক্ত উদ্দেশ্যৰ উপৰিও সিদ্ধি কৰিবলৈ বিচৰা হৈছে।

**২০০৩ ৰ সংশোধন আইন ১৪ উদ্দেশ্য আৰু যুক্তিযুক্ততাৰ ব্যাখ্যা ঃ**

(১) জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (অপব্যৱহাৰৰ বিনিয়ম আৰু প্ৰতিবন্ধকতা) আইন, ১৯৯৪ খনে কন্যা ভ্ৰূণ হত্যাৰ প্ৰবৃত্তি যোগোৱা ভ্ৰূণৰ লিংগ নিৰ্ণয়ৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা নিষিদ্ধ কৰিবলৈ চেষ্টা কৰিছে। কিছু বছৰৰ ভিতৰত এই আইনৰ পৰিচালনাত নিৰ্দিষ্ট অপৰ্য্যাপ্তুতা আৰু ব্যৱহাৰিক দুৰ্বোধ্যতা চৰকাৰৰ জ্ঞাত হৈছে, যিবোৰ উদ্দেশ্যৰ বাবে উক্ত আইনৰ সংশোধন কৰাৰ আৱশ্যকতা আছে।

(২) জন্মৰ আগতীয়া চিনাক্ত কৰণ ব্যৱস্থা, যেনে ওম্‌নিঅচেনটেচিচ আৰু চন'গ্ৰাফী জন্ম বিষয়ক বিকৃতি অথবা লিংগ সম্পৰ্কিত বিশৃংখলতা ইত্যাদি নিৰূপণ কৰাৰ কাৰণে উপযোগী। যিয়ে নহওক ওমনিঅচেনটেচিচ আৰু চন'গ্ৰাফী ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰিবলৈ আৰু জন্ম নোপোৱা গৰ্ভস্থ সন্তান যদিহে কন্যা সন্তান বুলি দেখা যায় তেনেহলে গৰ্ভাৱস্থা স্থানান্তৰিত কৰিবলৈ অধিক পৰিসৰত ব্যৱহাৰ কৰা হৈ আহিছে। গৰ্ভধাৰণৰ পূৰ্বে শিশুৰ লিংগ নিৰূপণ ব্যৱস্থা সমূহ উন্নত কৰা হৈছে। এইবোৰৰ ব্যৱহাৰ আৰু ব্যৱস্থাসমূহ মহিলাৰ লিংগৰ ক্ষেত্ৰত অপৰাধ বিবেচনা কৰা হয় আৰু মহিলাৰ মৰ্যদাৰ কাৰণে প্ৰয়োগ কৰা নহয়। ইয়াৰ উপৰি উক্ত ব্যৱস্থা সমূহৰ বৃদ্ধিয়ে ভৱিষ্যতে পুৰুষ মহিলাৰ অনুপাত গঠনত গুৰুতৰ অসামঞ্জস্য তীব্ৰতৰ কৰি তুলিব। ৰাজ্যখনেও এই বিষয়ত সমাজৰ কল্যাণ বিশেষকৈ মহিলা আৰু শিশুসকলৰ হকে মধ্যস্থতা কৰাটো বাধ্যবাধক কৰ্ম। গতিকে জন্মৰ আগেয়ে লিংগ নিৰ্ণয় ব্যৱস্থা সমূহ আৰু গৰ্ভপাতৰ বাবে জন্মৰ পূৰ্বে চিনাক্তকৰণ ব্যৱস্থাবোৰৰ অপব্যৱহাৰ বন্ধ কৰিবলৈ আৰু এনে গৰ্ভপাতৰ বিধানৰ বাবে লিখিত আৰু শক্তিশালী আইন প্ৰণয়ণ কৰাৰ প্ৰয়োজন। সেয়েহে সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত চিকিৎসা ব্যৱস্থাৰ ৰীতি নীতৰ বিধি বিধান প্ৰক্ৰিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেনেকুৱা আইনৰ গ্ৰহণ কৰাটো প্ৰয়োজন।

৪। এতেকে, গৰ্ভধাৰণৰ আগতীয়া লিংগ নিৰ্ণয় ব্যৱস্থাৰ লগত লিংগ নিৰ্ণায়ক গৰ্ভপাতৰ বাবে জন্মৰ পূৰ্বে লিংগ নিৰ্ণয়ৰ অপব্যৱহাৰ উভয় ব্যৱহাৰ বন্ধ কৰাৰ হকে আৰু তেওঁলোকে ব্যৱহাৰ কৰিব বিচৰা ব্যৱস্থাৰ বৈজ্ঞানিক ব্যৱহাৰ নিশ্চিত কৰাৰ কাৰণে তেনে ব্যৱস্থাৰ বিধান কৰিবলৈ উপৰিউক্ত আইনখন সংশোধন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

৫। উপৰোক্ত বিষয়ত বিধেয়কখনে সিদ্ধিলাভ কৰিবলৈ বিচাৰিছে।

---

১। দীঘলীয়া শিৰোনামা (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ২০০৩ ৰ ১৪ আইনৰ মৰ্মে ধাৰা ২ সলনি কৰা হৈছে। এই সলনিৰ পূৰ্বে দীঘলীয়া শিৰোনামা দিয়া ধৰণে পঢ়ক "জন্ম বিষয়ক" বা সালসলনিৰ অনিয়মতা বা ক্ৰমজন্মৰ বিকৃতি কনজিয়েল মাল-ফৰমেচন বা লিংগ সম্পৰ্কিত অনিয়মৰ কাৰণে জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা অপব্যৱহাৰৰ বিনিয়মৰ বাবদ এক আইনৰ ব্যৱস্থা কৰিবলৈ আৰু কন্যাভ্ৰূণ হত্যাৰ নেতৃত্ব দিয়া জন্মৰ আগতীয়া লিংগ নিৰ্ণয়ৰ এনে অপব্যৱহাৰ প্ৰতিৰোধ কৰিবলৈ আৰু ইয়াৰ সৈতে জৰিত বিষয় বা দুৰ্ঘটনাৰ কাৰণে এই বিনিয়মৰ এক ব্যৱস্থা কৰিবলৈ" সংসদৰ আনুসাংগিক মন্ত্ৰীৰ ওপৰত ৰাজ্যিক মন্ত্ৰী হোৱাত ব্যৱস্থা কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। লোকসভাৰ উপমন্ত্ৰী [illegible] বা উপাধ্যক্ষ অথবা ৰাজ্য সভাৰ উপাধ্যক্ষ তেনেহলে তেখেতৰ সমিতিৰ সদস্যপদ স্থানান্তৰিত হ'ব।

# অধ্যায়-১
# প্ৰস্তাৱনা

১। **সংক্ষিপ্ত নাম, প্ৰসাৰ আৰু আৰম্ভণী** -(১) এই আইনখনক গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন-১৯৯৪ বোলা হব।

(২) জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে আইনখন সমগ্ৰ ভাৰতবৰ্ষত প্ৰচলিত হ'ব।

(৩) আইনখন চৰকাৰী ৰাজপত্ৰত কেন্দ্ৰীয় চৰকাৰে অধিসূচনা জাৰি কৰা অনুসৰি দিয়া তাৰিখৰ পৰা বলবৎ হ'ব।

২। **সংজ্ঞা ঃ** এই আইনখনক কোনো বিষয়বস্তুৰ সালসলনি কৰিব লগা হলে অন্যথা প্ৰয়োজনত--

(ক) উপযুক্ত কৰ্তৃপক্ষ' -- মানে অনুচ্ছেদ ১৭ ৰ অধীনত নিয়োজিত উপযুক্ত কৰ্তৃপক্ষ;

(খ) বৰ্ড মানে অনুচ্ছেদ ৭ ৰ অধীনত গঠিত কেন্দ্ৰীয় পৰ্যবেক্ষণ বৰ্ড।

(কখ) "উৎপাদিত বস্তু" মানে বীৰ্যদানৰ পৰা অতিৰিক্ত মূল্যভূত চাক চালৰ লগতে গৰ্ভস্থ সন্তান বা ভ্ৰুণৰ জন্ম নোপোৱা পৰ্যন্ত যিকোনো অব্যহৃত কোনো উৎপাদিত বস্তুক বুজাব।

(খ) **"গৰ্ভস্থ সন্তান"** মানে বীৰ্যদানৰ পিছত ৮ সপ্তাহ (৫৬ দিন) অন্তপৰ্যন্ত ক্ৰমশঃ বিকশিত মানৱীয় সত্ত্বা।

(খ) **"ভ্ৰুণ"** মানে বীৰ্যদান বা জীৱ সৃষ্টিৰ পিছত (ইয়াৰ বিকাশ স্থগিত ৰখাৰ যিকোনো সময়ৰ বাহিৰে) ৫৭ দিনৰ সময়ৰ ভিতৰত বিকশিত মানবীয় সত্ত্বা (জীৱ) ক বুজাব।

(গ) **"জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ"** মানে এক প্ৰতিষ্ঠান, হস্পিতাল, নাৰ্চিংহোম বা যিকোনো ঠাই, যি নামেই কোৱা হওঁক, প্ৰতিষ্ঠানবোৰ জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া পৰিচালনা কৰাৰ কাৰণে ব্যৱহাৰ কৰাকে বুজাব।

(ঘ) **"জন্মবিষয়ক ক্লিনিক"** মানে এক ক্লিনিক, প্ৰতিষ্ঠান, হস্পিতাল, নাৰ্চিংহোম বা যিকোনো ঠাই, যি নামেই কোৱা হওঁক, প্ৰতিষ্ঠানবোৰ জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া পৰিচালনা কৰাৰ কাৰণে ব্যৱহাৰ কৰাকে বুজাব।

**ব্যাখ্যা ঃ** এই দফাৰ উদেশ্যে জন্ম বিষয়ক ক্লিনিকে অন্তভূৰ্ক্ত কৰিব আল্ট্ৰাচাউণ্ড মেচিন বা ইমাজিং মেচিন বা স্কেনাৰ বা ভ্ৰুণৰ লিংগ নিৰ্ণয় কৰিব পৰা অন্যান্য সা-সঁজুলি অথবা গৰ্ভাৱস্থাৰ সময়ত লিংগ চিনাক্তকৰণৰ শক্তি থকা বা গৰ্ভধাৰণৰ পূৰ্বে লিংগ নিৰূপণৰ বাবে ব্যৱহাৰ কৰা সৰু সা-সঁজুলি।

(ঙ) **"জন্মবিষয়ক গৱেষণাগাৰ"**-- মানে জন্মৰ আগতীয়া চিনাক্তকৰণ পৰীক্ষাৰ বাবে জন্মবিষয়ক ক্লিনিকৰ পৰা পোৱা নমুনাৰ বিশ্লেষণ বা পৰীক্ষা কৰিবলৈ সুবিধা থকা এক গৱেষণাগাৰ আৰু ঠাইক অন্তৰ্ভূক্ত কৰা বুজাব।

---

২। আইনখনৰ ২০০৩ ৰ ১৪ ধাৰা ৩ সলনি কৰা হৈছে, "জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (বিনিময় আৰু অপব্যৱহাৰ নিষিদ্ধকৰণ)" অৰ্থাৎ (১৪-২-২০০৩)

৩। ১৯৯৬ চনৰ প্ৰথম জানুৱাৰীৰ পৰা বলবৎ হ'ব।

৪। ২০০৩ ৰ ১৪ আইনৰ ধাৰা ৪ (১৪-২-২০০৩ ৰ পৰা) ৰ দ্বাৰা অন্তভূৰ্ক্ত কৰা হৈছে।

**ব্যাখ্যা ঃ** এইদফাৰ উদেশ্যে "জন্মবিষয়ক ক্লিনিকে" অন্তভূৰ্ক্ত কৰিব আল্ট্ৰাচাউণ্ড মেচিন, বা ইমাজিং মেচিন বা স্কেনাৰ অথবা ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰিব পৰা অন্যান্য সা-সঁজুলি বা গৰ্ভাৱস্থাৰ সময়ত লিংগ চিনাক্তকৰণ শক্তি থকা বা গৰ্ভধাৰণৰ পূৰ্বে লিংগ নিৰ্ণয়ৰ বাবে ব্যৱহাৰ কৰা সকু সা-সজুলি।

(চ) **"স্ত্ৰী ৰোগ বিশেষজ্ঞ"** মানে এজন ব্যক্তি যিজন ব্যক্তিয়ে স্ত্ৰীৰোগ আৰু পৰিচৰ্যা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাকে বুজাব;

(ছ) **"চিকিৎসা বিশেষজ্ঞ"** ই লিংগ নিৰ্ণয়ৰ ক্ষেত্ৰত আৰু জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা, জন্ম বিষয়ক বিজ্ঞানত ডিগ্ৰী অথবা ডিপ্লোমাধাৰী ব্যক্তিক বুজাব নাইবা এই বিষয়ৰ যিকোনো ক্ষেত্ৰত ২ বছৰৰ অভিজ্ঞতা থকা ব্যক্তি;

১) ভাৰতীয় চিকিৎসাসেৱা পৰিষদ আইন, ১৯৫৬ (১৯৫৬ ৰ ১০২) ৰ অধীনত চিকিৎসা সেৱাৰ স্বীকৃতি প্ৰাপ্ত ব্যক্তি;

২) জীৱ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ব্যক্তি;

(জ) **"শিশুৰোগ বিশেষজ্ঞ"** মানে শিশুৰোগ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ব্যক্তিক বুজাব;

(ঝ) **"জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া"** — মানে স্ত্ৰীৰোগ বা পৰিচৰ্যা সম্পৰ্কীয় অথবা চিকিৎসা প্ৰক্ৰিয়া যেনে- আল্ট্ৰাচন'গ্ৰাফী, ফ'টচকপি বা গৰ্ভস্থসন্তানৰ ঢাকি ৰখা জুলীয়া বস্তুৰ, পুৰণি অংকুৰ, গৰ্ভস্থ সন্তানৰ তেজৰ নমুনা লোৱা বা স্থানান্তৰ কৰা বা পুৰুষৰ শুক্ৰানু যিকোনো মঙহাল বা পনীয়বস্তু অথবা মহিলাৰ গৰ্ভধাৰণৰ আগেয়ে বা পিছত জন্ম বিষয়ক গৱেষণাগাৰ বা জন্ম বিষয়ক ক্লিনিকলৈ যিকোনো বিশ্লেষণৰ বাবে নাইবা গৰ্ভধাৰণৰ আগেয়ে বা পিছত লিংগ বাছনি কৰাৰ কাৰণে জন্মৰ আগতীয়া চিনাক্তকৰণ পৰীক্ষাৰ বাবে পঠিওয়াকে বুজাব;

(ঞ) "জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থাই জন্মৰ আগতীয়া চিনাক্তকৰণৰ সকলো প্ৰক্ৰিয়া আৰু পৰীক্ষা অন্তৰ্ভূক্ত কৰে।

(ট) "জন্মৰ আগতীয়া চিনাক্তকৰণ পৰীক্ষা মানে আল্ট্ৰাচন'গ্ৰাফী বা ঢাকি ৰখা ছালৰ জুলীয়া বস্তু, পুৰণি ভিলা, তেজৰ যিকোনো পৰীক্ষা বা বিশ্লেষণ বা গৰ্ভৱতী মহিলাৰ যিকোনো মাংসপিণ্ড অথবা জুলীয়া বস্তু নাইবা উৎপন্ন বস্তুৰ জন্ম বিষয়ক বা অনিয়মীয়া পৰিবৰ্তন বা ক্ৰম'জমৰ অনিয়মীয়া বা বিকাৰ গ্ৰস্ততা বা লোহিত ৰক্ত কণিকাৰ ৰোগ বা লিংগ সম্পৰ্কীয় ৰোগ চিনাক্তকৰণ কৰাটো বুজাব।

(ঠ) **"বিধান দিয়া"**-- মানে এই আইনৰ অধীনত বিধি অনুসৰি প্ৰস্তুত কৰা চিকিৎসা বিধানকে বুজাব।

---

৫। আইন খনৰ ২০০৩ ৰ ১৪ ৰ ধাৰা ৪ ৰ দ্বাৰা সংযোজিত (১৪-২-২০০৩ ৰ পৰা)

৬। আইন খনৰ ২০০৩ ৰ ১৪ ৰ ধাৰা ৪ ৰ দ্বাৰা অন্তৰ্ভূক্ত (১৪-২-২০০৩ ৰ পৰা)

৭। আইন খনৰ ২০০৩ ৰ ১৪ ৰ ধাৰা ৪ ৰ দ্বাৰা দফা (ছ) সলনি কৰা হৈছে। (১৪-২-২০০৩ ৰ পৰা), ইয়াক সলনি কৰাৰ আগেয়ে।

**দফা (ছ)** ত দিয়া ধৰণে পঢ়ক ঃ জন্মদাত্ৰী চিকিৎসক মানে লিংগ নিৰ্ণয়ৰ ক্ষেত্ৰত আৰু আগতীয়া চিনাক্তকৰণ ব্যৱস্থা জন্ম বিষয়ক বিজ্ঞানত ডিগ্ৰী অথবা ডিপ্লোমাধাৰী ব্যক্তিক বা এই বিষয়ৰ ২ বছৰৰ কৰ্মতকৈ অধিক অভিজ্ঞতা থকা ব্যক্তি।

১) ভাৰতীয় চিকিৎসাসেৱা পৰিষদ আইন, ১৯৫৬ ৰ অধীনত স্বীকৃতিপ্ৰাপ্ত যিকোনো অৰ্হতা বা

২) জীৱ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লোৱাটোক বুজাব।

(ড) **"পঞ্জীয়ণভূক্ত চিকিৎসক"**- মানে ভাৰতীয় চিকিৎসাসেৱা আইন, ১৯৫৬ (১৯৫৬ ৰ১০২) ৰ ধাৰা ২ ৰ দফা (জ) ত নিৰ্দিষ্ট কৰা মৰ্মে চিকিৎসাৰ কোনো স্বীকৃতি প্ৰাপ্ত অৰ্হতা পোৱা চিকিৎসক এজনক বুজাব।

(ঢ) **"বিনিয়ম" মানে**- এই আইনৰ অধীনত বৰ্ডৰ দ্বাৰা প্ৰণীত বিধিনিয়ম বোৰক বুজাব;

(ন) **"লিংগ নিৰূপণ"** এ যিকোনো প্ৰক্ৰিয়া, কৌশল, পৰীক্ষা বা পৰিচালনা বা বিধান নাইবা গৰ্ভস্থ সন্তানৰ নিৰ্দিষ্ট লিংগ সুনিৰ্দিষ্ট বা সম্ভাৱনীয়তা বৃদ্ধিৰ হকে যিকোনো ব্যৱস্থা অন্তৰ্ভুক্ত কৰিব;

(ত) **"চন'লজিষ্ট বা ইমাজিং বিশেষজ্ঞ"**-- মানে ভাৰতীয় চিকিৎসা সেৱা পৰিষদ আইন, ১৯৫৬ (১৯৫৬ ৰ ১০২) ৰ অধীনত চিকিৎসাৰ স্বীকৃতি প্ৰাপ্ত শিক্ষাগত অৰ্হতা পোৱা এজন ব্যক্তি বা আল্ট্ৰাচন'গ্ৰাফী বা ইমাজিং টেক্‌নিক্, অথবা ৰেডিঅ'লজীত স্নাতকোত্তৰ শিক্ষাগত অৰ্হতা থকা ব্যক্তিক বুজাব;

(থ) **"ৰাজ্যিক বৰ্ড"** - মানে ধাৰা ১৬ ক ৰ অধীনত গঠিত ৰাজ্যিক তদাকৰী বৰ্ড বা কেন্দ্ৰীয় তদাৰকী বৰ্ড।

(দ) **"ৰাজ্য চৰকাৰ"** কেন্দ্ৰীয় শাসিত অঞ্চল সহ বিধান মণ্ডলীৰ সম্পৰ্ক মানে সংবিধানৰ অনুচ্ছেদ ২৩৯ ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্তি দিয়া কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসন বুজাব।

## অধ্যায়-২

# জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ আৰু ক্লিনিকবোৰৰ বিনিয়ম

৩। **জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ আৰু ক্লিনিক সমূহৰ এই আইন বলবৎ হোৱাৰ পিচৰ পৰা ঃ**

---

৮) দফা (ঞ) (১৪-২-২০০৩ ৰ পৰা) ৰ কাৰণে ২০০৩ ৰ ১৪ আইন, ধাৰা - ৪ ৰ দ্বাৰা বিকল ব্যৱস্থা কৰা হৈছে। এই বিকল্প ব্যৱস্থাৰ আগেয়ে দফা (ঞ) ত দিয়া ধৰণে পঢ়ক -

(ঞ) জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া - মানে স্ত্ৰীৰোগ বা পৰিচৰ্যা সম্পৰ্কীয় অথবা চিকিৎসা প্ৰক্ৰিয়া যেনেঃ আল্ট্ৰাচন'গ্ৰাফী, ফটাচকপি বা গৰ্ভস্থ সন্তানৰ ঢাকিৰখা জুলীয়া বস্তুৰ পুৰণি আংকুৰ, তেজ বা গৰ্ভৱতী মহিলাৰ যিকোনো মঙহ হাল বস্তু জন্মৰ আগেয়ে চিনাক্তকৰণ পৰীক্ষা কৰিবলৈ জন্ম বিষয়ক গৱেষণাগাৰ বা ক্লিনিকলৈ পঠিওৱাকে বুজাব।

৯) দফা (ট) (১৪-২-২০০৩ ৰ পৰা) কাৰণে ২০০৩ ৰ ১৪ আইন, ধাৰা ৪ ৰ দ্বাৰা বিকল্প ব্যৱস্থা প্ৰয়োগ কৰা হৈছে। এই বিকল্প ব্যৱস্থাৰ আগেয়ে (ট) ত দিয়া ধৰণে পঢ়ক--"

"(ট) " জন্মৰ আগতীয়া চিনাক্ত কৰণ পৰীক্ষা মানে আল্ট্ৰাচন'গ্ৰাফী বা ঢাকিৰখা ছালৰ জুলীয়া বস্তু, পুৰণি ভিলা, তেজৰ যিকোনো পৰীক্ষা বা বিশ্লেষণ নাইবা গৰ্ভৱতী মহিলাৰ যিকোনো মাংসপিণ্ড বা জুলীয়া বস্তু অথবা জন্ম বিষয়ক বা অনিয়মীয়া পৰিৱৰ্তন বা ক্ৰ'মজ'মৰ অনিয়মীতা বা বিকাৰ গ্ৰস্ততা বা লোহিত ৰক্তকণিকাৰ ৰোগ বা লিংগ সম্পৰ্কীয় ৰোগ চিনাক্তকৰণক কৰা বুজাব;

১০) ২০০৩ ৰ ১৪ আইনৰ ধাৰা ৪ (১৪-২-২০০৩ ৰ পৰা) ৰ দ্বাৰা অন্তৰ্ভূক্ত কৰা হৈছে।

(১) জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিক এই আইনৰ অধীনত পঞ্জীয়ণ কৰা নহ'লে জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা সম্পৰ্কীয় কাৰ্যাৱলী পৰিচালনা বা সহযোগ, অথবা সহায় কৰিব নোৱাৰিব,

(২) জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ বা গৱেষণা অথবা ক্লিনিকে বিহিত কৰা অনুযায়ী কোনো ব্যক্তিয়ে শিক্ষগত অৰ্হতা লাভ নকৰিলে নিয়োগ কৰিব নোৱাৰিব বা কোনো ব্যক্তি অবৈতনিক নাইবা দৰ্মহা ভিত্তিত নিয়োগ কৰাৰ বা সেৱা গ্ৰহণ কৰাৰ কাৰণ থাকিব নোৱাৰিব;

(৩) মেডিকেল চিকিৎসক, স্ত্ৰীৰোগ বিশেযজ্ঞ শিশুৰোগ বিশেযজ্ঞ, চিকিৎসক হিচাপে পঞ্জীয়ণভূক্ত নহ'লে বা যদিহে এই আইনৰ অধীনত জন্মৰ আগতীয়া নিৰ্ণয়ৰ পঞ্জীয়ণভূক্ত স্থানৰ বাহিৰে অথবা অন্য কোনো স্থানত অনা কোনো ব্যক্তিৰ দ্বাৰা বা নিজে পৰিচালনা বা সহায় কৰাত অনা ব্যক্তিয়ে পৰিচালনা কৰাৰ কাৰণ থাকিব নোৱাৰিব।

**৩) (ক) লিংগ নিৰ্ণয়ৰ নিষিদ্ধকৰণ ঃ-**

কোনো বিশেযজ্ঞ অথবা বিশেযজ্ঞৰ দলকে ধৰি গৰ্ভধাৰণৰ অক্ষমতাৰ ক্ষেত্ৰত পৰিচালনা বা পৰিচালনা কৰাৰ কাৰণ বা নিজকে নিজে পৰিচালনা বা আন ব্যক্তিৰ দ্বাৰা মহিলা বা পুৰুষ বা উভয়ৰে কোনো মাংসপিণ্ড, গৰ্ভস্থ সন্তান, গৰ্ভধাৰণ, জুলীয়া বস্তু অথবা গমেট অথবা তেওঁলোকৰ উভয়ৰ পৰা উলিয়াই অনাৰ কাম পৰিচালনা কৰিব নোৱাৰিব।

**(খ) <u>এই আইনৰ অধীনত পঞ্জীয়ণভূক্ত নকৰা ব্যক্তি, গৱেষণাগাৰ, ক্লিনিক ইত্যাদি সমূহলৈ আল্ট্ৰাচাউণ্ড মেচিন বিক্ৰি নিষেধাজ্ঞা ঃ</u>**

এই আইনৰ অধীনত পঞ্জীয়ণ নকৰা কোনো জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক অথবা অন্যান্য ব্যক্তিক ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰিব পৰা ক্ষমতা থকা কোনো 'আল্ট্ৰাচাউণ্ড' মেচিন' বা 'ইমাজিং মেচিন' বা স্কেনাৰ বা যিকোনো সা-সঁজুলি কোনো ব্যক্তিয়ে বিক্ৰি কৰিব নোৱাৰিব।

# অধ্যায়-৩

## জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা সমূহৰ বিনিয়ম

৪। **জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা সমূহৰ বিনিয়ম**

এই আইন বলবৎ হোৱা তাৰিখৰ পৰাঃ--

১) দফা ২) ত নিৰ্দিষ্ট কৰা আৰু দফা ৩) ত নিৰ্দিষ্ট কৰা চৰ্তসমূহ সন্তোষিত হোৱাৰ ব্যতিৰেকে কোনো ব্যক্তিয়ে জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থাবোৰৰ পঞ্জীয়ণভূক্ত জন্মবিষয়ৰ পৰামৰ্শদাতা কেন্দ্ৰ বা ক্লিনিককে ধৰি কোনো ঠাই ব্যৱহাৰ বা কোনো ব্যক্তিৰ দ্বাৰা ব্যৱহাৰ কৰাৰ কাৰণ থাকিব নোৱাৰিব;

২) নিম্ন উল্লিখিত অস্বাভাবিকতা সমূহ নিৰূপন কৰা উদ্দেশ্যৰ বাহিৰে জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা সমূহ পৰিচালনা কৰিব নোৱাৰিব; যেনে-

(ক) ক্ৰ'মজমৰ অস্বাভাৱিকতা;

(খ) জন্মবিষয়ক ৰূপান্তৰিত বেমাৰ

(গ) হিম'গ্লবিন' পেথিচ;

(ঘ) লিংগ সম্পৰ্কিত জন্মবিষয়ক ৰোগ

(ঙ) বিসংগতিৰ অন্বেষণ

(চ) কেন্দ্ৰীয় পৰ্যবেক্ষণকাৰী বৰ্ডৰ দ্বাৰা নিৰ্দিষ্ট কৰা যিকোনো অস্বাভাবিকতা অথবা ৰোগ সমূহ ঃ

৩) নিম্ন উল্লিখিত চৰ্ত সমূহৰ যিকোনো চৰ্ত সম্পৰ্ণ কৰিব পৰাকৈ লিখিতভাবে লিপিবদ্ধ কৰাৰ কাৰণে জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা ব্যৱহাৰ অথবা পৰিচালনা কৰিব নোৱাৰিব, যদিহে ব্যক্তিজন তেনে কাম কৰাৰ কাৰণে সন্তোষিত হবলৈ অৰ্হতা সম্পন্ন নহয়, যেনেঃ-

(১) গৰ্ভৱতী মহিলা গৰাকীৰ বয়স ৩৫ বছৰৰ ওপৰৰ হয়;

(২) গৰ্ভৱতী মহিলা গৰাকী ২ বা ততোধিক স্বতঃস্ফূৰ্তিভাবে গৰ্ভপাত অথবা ভ্ৰূণ হেৰুৱাইছে;

(৩) গৰ্ভৱতী মহিলা গৰাকীৰ এজেন্ট, যেনে ড্ৰাগচ, ৰেডিয়েচন, ইন্‌ফেক্‌চন্ অথবা ৰসায়নিকৰে সম্ভাব্য জীব দেহৰ স্বাভাৱিক বৰ্দ্ধনত বাধা দিয়া হৈছিল;

(৪) গৰ্ভৱতী মহিলা অথবা তেওঁৰ স্বামীৰ মানসিক মন্থৰতা নাইবা শাৰিৰীক বিকাৰ গ্ৰস্ততা, যেনে- পক্ষাঘাতগ্ৰস্ত বা অন্য কোনো জন্ম বিষয়ক ৰোগৰ পাৰিবাৰিক ইতিবৃত্ত আছে।

(৫) বৰ্ডৰ দ্বাৰা নিৰ্দিষ্ট কৰা অন্যান্য চৰ্ত-

চৰ্ত থাকে যে গৰ্ভৱতী মহিলাৰ আল্ট্ৰাচন'গ্ৰাফী' কৰা ব্যক্তিজনে আল্ট্ৰাচন'গ্ৰাফীৰ সম্পূৰ্ণ তথ্য ক্লিনিকত বিহিত কৰা ধৰণে ৰাখিব লাগিব আৰু যদি কোনো ঘাটি নাইবা অসত্যতা এই বিষয়ে দেখা যায় তেনেহলে ধাৰা ৫ নাইবা ধাৰা ৬ ৰ ব্যৱহাৰ বিৰুদ্ধে বুলি গণ্য কৰা হ'ব। এনে 'আল্ট্ৰাচন'গ্ৰাফী' কৰা ব্যক্তিজনৰ দ্বাৰা তেনে বিতৰ্ক প্ৰমাণ কৰা নহয়;

---

১১) দফা (২) (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ২০০৩ আইনৰ ১৪ ৰ দ্বাৰা ধাৰা ৫ সলনি কৰা হৈছে। ইয়াৰ পূৰ্বে ইয়াৰ সাল-সলনি দফা-
(২) ত দিয়া ধৰণে পঢ়ক-- " (২) বিহিত কৰা অৰ্হতা নথকা কোনো ব্যক্তিকে কোনো জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকত নিযুক্তি বা নিযুক্তি দিয়াৰ কাৰণ থাকিব নোৱাৰিব।

১২) ২০০৩ ৰ আইন ১৪ ৰ দ্বাৰা ধাৰা ৬ (১৪-২-২০০৩ তাৰিখৰ পৰা অন্তৰ্ভূক্ত কৰা হৈছে।

৪) গৰ্ভৱতী মহিলাৰ সম্পৰ্কীয় অথবা স্বামীকে ধৰি কোনো ব্যক্তিয়ে দফা (২)ত নিৰ্দিষ্ট কৰা বাহিৰে মহিলা গৰাকীৰ কোনো জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা কৰিবলৈ বিচাৰিব বা উৎসাহিত কৰিব নোৱাৰিব;

(৫) গৰ্ভৱতী মহিলা গৰাকীৰ সম্পৰ্কীয় অথবা স্বামীকে ধৰি কোনো ব্যক্তিয়ে তেওঁৰ/মহিলাগৰাকীৰ অথবা উভয়ৰে যিকোনো লিংগ নিৰ্ণয় ব্যৱস্থা কৰিবলৈ বিচাৰিব বা উৎসাহিত কৰিব নোৱাৰিব।

৫। **গৰ্ভৱতী মহিলা গৰাকীৰ লিখিত সন্মতি আৰু ভ্ৰূণৰ লিংগ যোগসূত্ৰত নিষেধাজ্ঞাঃ**
(১) ধাৰা ৩ ৰ দফা (২) ত চুপাৰিশ কৰা জন্মৰ আগতীয়া নিৰ্ণয় কৰণ প্ৰক্ৰিয়াসমূহ কোনো ব্যক্তিয়ে কৰিব নোৱাৰিব; যদিহে--

(ক) তেওঁ সকলো বিষয়ে ব্যাখ্যা আৰু সংশ্লিষ্ট গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত এনে প্ৰক্ৰিয়াসমূহ কাৰ্যকৰী হৈছে।

(খ) তেওঁ বিহিত কৰা প্ৰ-পত্ৰত এনে প্ৰক্ৰিয়াৰ অধীনত মহিলাগৰাকীৰ লিখিত সন্মতি তেওঁৰ বুজি পোৱা ভাষাত পোৱা হৈছে; আৰু

(গ) দফা (খ) ৰ অধীনত পোৱা লিখিত সন্মতিৰ এক প্ৰতিলিপি গৰ্ভৱতী মহিলা গৰাকীক দিয়া হৈছে--।

(১) দফা (২) ৰ উদ্দেশ্য নিৰ্দিষ্ট কৰাৰ বাহিৰে মহিলা গৰাকীৰ জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা গৰ্ভৱতী মহিলা সম্পৰ্কীয় অথবা স্বামী হিচাপে কোনো ব্যক্তিয়ে বিচাৰিব অথবা উৎসাহিত কৰিব নোৱাৰিব;”

(২) জন্মৰ আগতীয়া লিংগ নিৰ্ণয় প্ৰক্ৰিয়াক সমূহ পৰিচালনা কৰা ব্যক্তি জনকে ধৰি কোনো ব্যক্তিয়ে ভ্ৰূণৰ লিংগ, শব্দ, সংকেত অথবা যিকোনো প্ৰকাৰে গৰ্ভৱতী মহিলা গৰাকীৰ সংশ্লিষ্ট বা সম্পৰ্কীয় অথবা যিকোনো ব্যক্তিৰ সৈতে যোগাযোগ কৰিব নোৱাৰিব;

---

১৩। দফা (৩) আৰু (৪) (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ২০০৩ আইনৰ ১৪ ৰ দ্বাৰা ধাৰা ৭ সলনি কৰা হৈছে, দফা (৩) আৰু (৪) সালসলনিৰ পূৰ্বে দিয়া ধৰণে পঢ়ক--” (৩) নিম্নোলিখিত যিকোনো চৰ্তসমূহ পৰিপূৰ্ণ কৰিবলৈ যদিহে ব্যক্তিজন অৰ্হতা সম্পন্ন নহয় তেনেহলে জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা ব্যৱহাৰ অথবা পৰিচালনা কৰিব নোৱাৰিব; যথা ঃ-

(ক) গৰ্ভৱতী মহিলা গৰাকীৰ বয়স ৩৫ বছৰৰ ওপৰ হয়;

(খ) গৰ্ভৱতী মহিলা গৰাকীয়ে স্বতঃস্ফূৰ্তভাবে এক বা ততোধিকবাৰ গৰ্ভপাত বা ভ্ৰূণ হেৰুৱাইছে;

(গ) গৰ্ভৱতী মহিলাৰ এজন্টে, যেনে ড্ৰাগচ্, ‘ৰেডিয়েচন, ইন্‌ফেক্‌চন্ অথবা ৰাসায়নিকৰে সম্ভাব্য জীৱদেহৰ স্বাভাৱিক বন্ধনত বাধা দিয়া হৈছিল;

(ঘ) যদিহে গৰ্ভৱতী মহিলাৰ স্বামীৰ মানসিক মন্থৰতা বা শাৰীৰিক বিকাৰ গ্ৰস্ততা, যেনে- পক্ষাঘাত বা আন কোনো জন্ম বিষয়ক ৰোগৰ পাৰিবাৰিক ইতিবৃত্ত আছে;

(ঙ) আন যিকোনো চৰ্ত কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ডৰ দ্বাৰা নিৰ্দিষ্ট কৰা অনুসৰি হ’ব।

৬। **লিংগ নিষিদ্ধকৰণৰ সংকল্প ঃ** এই আইন বলবৎ হোৱাৰ পৰা,-

(ক) ভ্ৰূণৰ লিংগ নিৰ্ণয়ৰ উদেশ্যে কোনো জন্ম বিষয়ক পৰামৰ্শদাতা বা গৱেষণাগাৰ অথবা ক্লিনিকে জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থাকে ধৰি আল্ট্ৰাচন'গ্ৰাফী পৰিচালনা কৰিব নোৱাৰিব নাইবা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকত লিংগ নিৰ্ণয় পৰিচালনা কৰাৰ কোনো হেতু থাকিব নোৱাৰিব।

(খ) আল্ট্ৰাচন'গ্ৰাফীকে ধৰি কোনো জন্মৰ আগতীয় নিৰ্ণয় ব্যৱস্থা কোনো ব্যক্তিয়ে পৰিচালনা কৰিব নোৱাৰিব অথবা পৰিচালনা কৰাৰ হেতু থাকিব নোৱাৰিব;

(গ) কোনো ব্যক্তিয়ে যিকোনো প্ৰকাৰে গৰ্ভধাৰণৰ আগৰ বা পিছত লিংগ নিৰ্ণয় কাৰণ অথবা অনুমতি দিয়াৰ হেতু থাকিব নোৱাৰিব।

## অধ্যায়- ৪

## কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ড

৭। **কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ডৰ সংবিধান ঃ**

(১) কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ড, ক্ষমতা ব্যৱহাৰ কৰিবলৈ আৰু এই আইনৰ অধীনত বৰ্ডৰ ওপৰত ন্যস্ত কৰা কাৰ্যাৱলী সমাপন কৰিবলৈ এক বৰ্ড হিচাপে জানিবলৈ গঠন কৰিব--

(২) বৰ্ড গঠন কৰা হ'ব--

(ক) মন্ত্ৰালয়ৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী অথবা পৰিয়াল কল্যাণ বিভাগৰ অধ্যক্ষ, যিজন অধ্যক্ষ পদেন সদস্য হ'ব;

(খ) ভাৰত চৰকাৰৰ পৰিয়াল কল্যাণ বিভাগৰ দায়িত্বত থকা সচিবজন পদেন উপাধ্যক্ষ হ'ব;

(গ) মহিলা আৰু উন্নয়ণ বিভাগ, ন্যায়িক বিভাগৰ দায়িত্বত থকা বা আইন আৰু নায়িক মন্ত্ৰালয়ৰ বিধান মণ্ডলী বিভাগ আৰু ভাৰতীয় ঔষধ পৰিক্ৰমা আৰু হোমিঅ'পেথ্যি, পদেন সদস্য প্ৰতিনিধিত্ব কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৩ জন সদস্য নিয়োগ কৰা হ'ব;

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য বিভাগৰ মহা প্ৰৱন্ধক পদেন সদস্য,

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োগ কৰিব লগা ১০ জন সদস্য প্ৰত্যেকৰে মাজৰ পৰা ২ জনকৈ;

১) বিখ্যাত মেডিকেল জেনেষ্টিচ;

---

১৪) "উপধাৰা (২) (১৪-২-২০০৩) তাৰিখৰ পৰা ৰ কাৰণে ২০০৩ আইনৰ ১৪ ৰ দ্বাৰা সলনি কৰা হৈছে। ইয়াৰ সালসলনিৰ পূৰ্বে উপধাৰা (২) ত দিয়া ধৰণে পঢ়ক "(২) জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া পৰিলচালনা' কৰা কোনো ব্যক্তিয়ে গৰ্ভৱতী মহিলাৰ সংশ্লিষ্ট অথবা সম্পৰ্কীয় ভ্ৰূণৰ লিংগৰ বিষয়ে শব্দ, সাংকেতিক চিহ্ন অথবা আন যি কোনো প্ৰকাৰে যোগসূত্ৰ ৰাখিব নোৱাৰিব;"

১৫) ধাৰা ৯ (১৪-২-২০০৩ তাৰিখৰ পৰা) ২০০৩ ৰ ১৪ আইনৰ দ্বাৰা অন্তভূৰ্ক্ত কৰা হৈছে।

১৬) দফা (গ) (১৪-২-২০০৩ তাৰিখৰ পৰা) ২০০৩ ৰ ১৪ আইনৰ দ্বাৰা সলনি কৰা হৈছে। ইয়াৰ সালসলনিৰ পূৰ্বে দফা (গ) ত দিয়া ধৰণে পঢ়ক। "(গ) মহিলা আৰু শিশু উন্নয়ণৰ দায়িত্বত থকা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় সমূহ আৰু আইন আৰু ন্যায়িক, পদেন সদস্যক প্ৰতিনিধিত্ব কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ২ জন সদস্য নিয়োগ কৰিব লাগিব"

২) বিখ্যাত স্ত্ৰীৰোগ বিশেষজ্ঞ

(১) বিখ্যাত শিশুৰোগ বিশেষজ্ঞ;

(২) বিখ্যাত সমাজ বৈজ্ঞানিক; আৰু

(৩) মহিলা সংগঠনৰ প্ৰতিনিধি

(চ) সংসদৰ ৩ জন মহিলা সদস্যৰ ২ জন লোক সভাই আৰু এজন ৰাজ্যসভাই নিৰ্বাচন কৰিব;

(ছ) ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহ প্ৰতিনিধিত্ব কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা একাদিক্ৰমে নিয়োগ কৰিব লগীয়া ৪ জন সদস্য ২ জন আক্ষৰিক ক্ৰমত আৰু ২ জন অনাক্ষৰিক ক্ৰমত নিয়োগ কৰিব পাৰিব;

চৰ্ত থাকে যে এই দফাৰ অধীনত ৰাজ্য চৰকাৰৰ চুপাৰিশ অবিহনে নিয়োগ কৰিব নোৱাৰিব নাইবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ অনুমোদন মতে হ'ব

জ) যুটীয়া সচিবৰ তলৰ মৰ্যাদা অথবা পৰিয়াল কল্যাণৰ দায়িত্বত থকা কেন্দ্ৰীয় চৰকাৰৰ সমপৰ্যায়ৰ বিষয়াজনে পদেন সদস্য সচিব, হ'ব।

৮। **সদস্য সকলৰ কাৰ্যকাল ঃ**

(১) ক) পদেন সদস্যৰ বাহিৰে সদস্যৰ কাৰ্যকাল হ'ব-

ক) দফা (ঙ) ৰ বা ধাৰা (৭) ৰ উপধাৰা (২) ৰ দফা (চ) ৰ অধীনত নিয়োগ কৰাৰ ক্ষেত্ৰত ৩ বছৰ।

চৰ্ত থাকে যে ধাৰা ৭ ৰ উপধাৰা (২) দফা (চ) ৰ অধীনত নিৰ্বাচিত এজন সদস্যৰ কাৰ্যকাল শেষ পৰ্যন্ত হ'ব লগতে সদস্যজন মন্ত্ৰী বা ৰাজ্যিক মন্ত্ৰী বা উপমন্ত্ৰী নাইবা লোকসভাৰ অধ্যক্ষ বা উপাধ্যক্ষ নাইবা ৰাজ্যসভাৰ উপাধ্যক্ষ হয় তেওঁ সদস্য পদ এৰিব লাগিব আৰু উক্ত সদস্য পদত বাহাল নাথাকিলে বৰ্ডৰ সদস্য পদ এৰিব লাগিব আৰু

খ) উপৰিউক্ত উপধাৰাৰ দফা (জ) ৰ অধীনত নিয়োগ কৰাৰ ক্ষেত্ৰত ১ বছৰ ঃ

(২) যদিহে অন্যান্য কোনো সদস্যসকলৰ কাৰ্যালয়ত মৃত্যু, ইস্তাফা নাইবা বেমাৰ বা আন কোনো অক্ষমতাৰ কাৰণে কাৰ্য কৰিবলৈ অক্ষম হলে সাময়িকভাবে খালী হয়, তেনেহলে তেনে খালীস্থান কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নতুনকৈ নিয়োগ কৰি পূৰ্ণ কৰা হ'ব আৰু এনে ধৰণে নিয়োগ কৰা সদস্যজনে তেওঁক যিজন ব্যক্তিৰ স্থানত নিয়োগ কৰা হৈছে সেই ব্যক্তিজনৰ বাকী থকা কাৰ্যকাল চলাই নিব লাগিব।

(৩) উপাধ্যক্ষজনে তেওঁক সময়ে সময়ে অধ্যক্ষজনে অৰ্পণ কৰা তেনে কাৰ্যাবলী সমাপন কৰিব লাগিব

(৪) সদস্য সকলে তেওঁলোকৰ কাৰ্যনিৰ্ব্বাহ কৰোতে পালন কৰিবলগীয়া প্ৰক্ৰিয়াসমূহ বিহিত কৰা ধৰণে হ'ব।

৯। **বৰ্ডৰ বৈঠক ঃ**

(১) বৰ্ডখন ইয়াৰ (বৈঠকৰ থুলকে ধৰি) বিনিয়মে ব্যৱস্থা কৰা অনুসৰি কাৰ্যাবলীৰ আদান প্ৰদান সম্পৰ্কত প্ৰক্ৰিয়া, নিয়মাৱলীৰ পৰ্যবেক্ষণ কৰিবলৈ বৈঠকৰ সময় আৰু স্থান ঠিক কৰিব।

চৰ্ত থাকে যে বৰ্ডখনে ৬ মাহৰ ভিতৰত কমেও এবাৰ বৈঠক অনুষ্ঠিত কৰিব লাগিব;

(২) অধ্যক্ষৰ অনুপস্থিতিৰ উপাধ্যক্ষই বৰ্ডৰ বৈঠকত সভাপতিত্ব কৰিব।

(৩) যদিহে কোনো কাৰণ বশতঃ অধ্যক্ষ বা উপাধ্যক্ষ বৰ্ডৰ বৈঠকত উপস্থিত থাকিবলৈ সক্ষম নহয় তেনেহলে বৈঠকত উপস্থিত থকা সদস্য সকলৰ দ্বাৰা বাছনি কৰা যি কোনো সদস্যই বৈঠকত সভাপতিত্ব কৰিব।

(৪) বৰ্ডৰ কোনো বৈঠকৰ আগতে উত্থাপন হোৱা সকলো প্ৰশ্ন উপস্থিত থকা গৰিষ্ঠ সংখ্যক সদস্যৰ ভোটেৰে সিদ্ধান্ত কৰা হ'ব আৰু সমান সংখ্যক ভোট হ'লে অধ্যক্ষ অথবা তেওঁৰ অনুপস্থিতিত বৰ্তমানৰ সভাপতিজনে দ্বিতীয়বাৰ ভোট লোৱাৰ ব্যৱস্থা অথবা নিৰ্ণয়ক ভোট দিব লাগিব।

(৫) পদেন সদস্য সকলৰ বাহিৰে আন সদস্যসকলে ইয়াৰ বাবে বিহিত কৰা অনুযায়ী বৰ্ডৰ পৰা যদি কোনো ভাট্টা বহন কৰে, তেনেহলে তেনে ভাট্টা পাব।

১০। **খালীপদ ইত্যাদি, বৰ্ডৰ কাৰ্যব্যৱস্থা অগ্ৰাহ্য নকৰিবলে** – কোনো আইন অথবা বৰ্ডৰ কাৰ্যাৱলী অগ্ৰাহ্য কৰিব নোৱাৰিব- তলত দিয়া চৰ্ত সাপেক্ষে-

(ক) কোনো খালী পদ, অথবা সংবিধানৰ কোনো বিশেষ ত্ৰুটি থাকিলে বৰ্ডে; বা

(খ) বৰ্ডৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ এজন ব্যক্তি নিযুক্তিত কোনো ত্ৰুটি থাকিলে;

(গ) বিষয়টোৰ উপযুক্ততাত প্ৰভাৱিত নকৰিবলৈ বৰ্ডৰ প্ৰক্ৰিয়াৰ কোনো অনিয়মীতাত।

১১। **নিৰ্দিষ্ট উদ্দেশ্যৰ হ'কে বৰ্ডৰ সৈতে ব্যক্তিক সাময়িক সহযোগ ঃ**

১) বোৰ্ডে বিনিয়ম সমূহৰ দ্বাৰা ঠিৰাং কৰা মৰ্মে এই আইনখনৰ যিকোনো ব্যৱস্থাৱলী পালন কৰাত কোনো ব্যক্তিৰ সহায় অথবা উপদেশ বিচাৰে তেনেহ'লে তেনে ধৰণে আৰু তেনে উদ্দেশ্যৰে নিজকে সহযোগ কৰিব পাৰে।

২) উপদেশ (১) ৰ অধীনত কোনো উদ্দেশ্যৰ হকে বৰ্ডৰ লগত ব্যক্তি এজনে সহযোগ কৰিলে সংশ্লিষ্ট সেই উদেশ্যৰ সংশ্লিষ্ট আলোচনাত অংশ গ্ৰহণ কৰাৰ অধিকাৰ থাকিব, কিন্তু বৰ্ডৰ বৈঠকত ভোট দিয়াৰ অধিকাৰ নাথাকিব আৰু যিকোনো উদেশ্য হকে সদস্য হ'ব নোৱাৰিব।

---

১৭) উপদফা ২ (১৪-২-২০০৩) তাৰিখৰ পৰা) ৰ ইকে ধাৰা ১০, ২০০৩ ৰ আইনৰ যোগে সলনি কৰা হৈছে। উপদেশ ২ ইয়াৰ সালসলনিৰ পূৰ্বে দিয়া ধৰণে পঢ়ক- ২) "বিখ্যাত শিশুৰোগ বিশেষজ্ঞ আৰু ধাত্ৰীবিদ্যা বিশেষজ্ঞ"

১৮) ধাৰা ২(৩-৯-২০০১ তাৰিখৰ পৰা) ২০০১ ৰ ৩২ আইন যোগে 'আৰু' শব্দটো বিলুপ্ত কৰা হৈছে।

১৯) ধাৰা ২(২-৯-২০০১) তাৰিখৰ পৰা) ২০০১ ৰ ৩২ আইন যোগে অন্তভূৰ্ক্ত কৰা হৈছে।

১২। **বৰ্ডৰ বিষয়া আৰু অন্যান্য কৰ্মচাৰী বৰ্গৰ নিয়োগ ঃ-**

১) এই আইনৰ অধীনত বৰ্ডৰ কাৰ্যদক্ষতা সক্ষম কৰি তোলাৰ উদ্দেশ্যে বৰ্ডখনে ইয়াৰ হ'কে প্ৰণয়ণ কৰা নিয়মাৱলীৰ চৰ্ত সাপেক্ষে বিষয়া আৰু কৰ্মচাৰী বৰ্গ উচিত বিবেচনা কৰা অনুসৰি নিয়োগ (প্ৰতিনিযুক্তি বা অন্য প্ৰকাৰেৰে হওঁক) কৰিব পাৰিব। চৰ্ত থাকে যে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষে বিনিয়ম সমূহত নিৰ্দিষ্ট কৰা অনুসৰি বিষয়া পৰ্যায়ৰ পদমৰ্যদাৰ বিষয়াবৰ্গক নিয়োগ কৰা হ'ব।

২) বৰ্ডৰ দ্বাৰা নিয়োগ কৰা প্ৰত্যেক বিষয়া অথবা অন্যান্য কৰ্মচাৰীৰ সেৱা চৰ্ত অনুযায়ীহে হ'ব আৰু বিনিয়মমতে নিৰ্দিষ্ট কৰা অনুসৰি পাৰিতোষিকৰ যোগ্য হ'ব।

১৩। **বৰ্ডৰ নিৰ্দেশ আৰু অন্যান্য দলিল সমূহৰ সত্যাসত্য নিৰূপন ঃ** বৰ্ডৰ সকলো নিৰ্দেশ আৰু সিদ্ধান্ত অধ্যক্ষ বা বৰ্ডৰ দ্বাৰা এই ক্ষেত্ৰত কৰ্তৃত্বপ্ৰাপ্ত যিকোনো সদসই স্বাক্ষৰ কৰি সত্যাসত্য নিৰূপন কৰিব লাগিব আৰু বৰ্ডৰ দ্বাৰা জাৰি কৰা অন্যান্য সকলো দলিলৰ সত্যাসত্য নিৰূপন, সদ্য সচিবৰ বা বোৰ্ডৰ কৰ্তৃত্বপ্ৰাপ্ত অন্যান্য যিকোনো বিষয়াই এই ক্ষেত্ৰত আগৰ লেখিয়াকৈ স্বাক্ষৰ কৰিব লাগিব

১৪। **সদস্য হিচাপে নিয়োগ কৰিবলৈ অযোগ্যতা -**

এজন ব্যক্তি সদস্য হিচাপে নিযুক্তি দিয়াৰ কাৰণে অযোগ্য হ'ব যদি, তেওঁ--

(ক) অপৰাধৰ কাৰণে দোষী সাব্যস্থ আৰু কাৰাবন্দী দণ্ডণীয় হয়;- যাক কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিত নীতি বিৰুদ্ধ হয়;

(খ) ঋণ পৰিশোধ কৰিব নোৱাৰা; বা

(গ) মানসিক বিকাৰগ্ৰস্ত হয় আৰু উপযুক্ত প্ৰাধিকাৰীৰ দ্বাৰা ইতিমধ্যে ঘোষিত বাধা থাকে;

(ঘ) চৰকাৰী চাকৰিৰ পৰা বা নিজস্ব নাইবা চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা নিগমৰ পৰা অব্যহতি অথবা বৰ্খাস্ত কৰা হৈছে;

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিত সদস্য হিচাপে তেওঁৰ দ্বাৰা কৰা কাৰ্যই বৰ্ডৰ বিত্তীয় অথবা অন্য স্বাৰ্থত ব্যাঘাত জন্মায়।

(চ) কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিত লিংগ অথবা আন যি কোনো লিংগ নিৰ্ণয় ব্যৱস্থাৰ বাবে জন্মৰ আগতীয়া চিনাক্তকৰণ পদ্ধতিৰ ব্যৱহাৰ অথবা বিকাশৰ লগত জৰিত থাকে।

১৫। **পুনৰ নিযুক্তিৰ বাবে সদস্যসকলৰ যোগ্যতা ঃ**

সেৱাৰ অন্যান্য চৰ্তানুসৰি বিহিত কৰা মৰ্মে যি কোনো ব্যক্তিক সদস্য হিচাপে নিৰ্ণয় বা বাছনি কৰিলে পুনৰ নিয়োগৰ বাবে যোগ্য হ'ব।

চৰ্ত থাকে যে পদেন সদস্যৰ বাহিৰে কোনো সদস্যকে দুই বা ততোধিক একেলগে কাৰ্যকালৰ বাবে নিয়োগ কৰিব নোৱাৰিব।

১৬। **বৰ্ডৰ কাৰ্যাৱলী ঃ** নিম্নউল্লিখিত বৰ্ডৰ কাৰ্যাৱলী বোৰ থাকিব লাগিব, যেনেঃ-

১) জন্মৰ আগতীয়া চিনাক্তকৰণ পদ্ধতি, লিংগ নিৰ্ণয় ব্যৱস্থা ব্যৱহাৰ আৰু ইয়াৰ বিপৰীতে হোৱা অপব্যৱহাৰ সম্পৰ্কীয় নীতি নিৰ্দেশনাৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ দিয়া; অথবা

২) আইন আৰু নিয়মাৱলীৰ অধীনত প্ৰণয়ন কৰা বিধিৰ প্ৰয়োগৰ পুনৰীক্ষণ আৰু পৰ্যবেক্ষণ কৰা আৰু উপৰিউক্ত আইন আৰু নিয়মাৱলীৰ সাল-সলনি কেন্দ্ৰীয় চৰকাৰক চুপাৰিশ কৰা;

৩) গৰ্ভধাৰণৰ আগতীয়া লিংগ নিৰ্ণয়ৰ অভ্যাস আৰু কন্যা সন্তান ভ্ৰুণৰ লিংগ নিৰ্ণয়ে কন্যা ভ্ৰুণ হত্যা কৰাৰ বিপৰীতে ৰাজহুৱা সজাগতাৰ সৃষ্টি কৰা;

৪) জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ আৰু ক্লিনিকত কাম কৰা ব্যক্তিসকলৰ আচৰণ বিধি নিৰ্দ্ধাৰণ কৰা।

৫) এই আইনৰ অধীনত গঠিত বিভিন্ন সমিতিয়ে সমাপন কৰা কাৰ্য পৰ্য্যবেক্ষন কৰা আৰু ইয়াৰ সঠিক আৰু কাৰ্যকৰী প্ৰয়োগ বিচ্যুতণ নকৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা;

৬) আইনখনৰ অধীনত বিহিত কৰা অনুযায়ী যি কোনো কাৰ্যাৱলী।

**১৬। (ক) ৰাজ্যিক পৰ্যবেক্ষন বৰ্ডৰ সংবিধান আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰ্যবেক্ষন বৰ্ড ঃ**

১) বিধান মণ্ডলে প্ৰত্যেক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৰাজ্যিক বৰ্ড অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত পৰ্যবেক্ষন বৰ্ড হিচাপে জনাকৈ যথানুসাৰে গঠন কৰিব, যিবোৰৰ কাৰ্য তলত দিয়া ধৰণ হ'ব।

(ক) জন্মৰ আগতীয়া লিংগ নিৰ্ণয় আৰু ৰাজ্যখনত কন্যাভ্ৰণ হত্যা কৰাত নেতৃত্ব দিয়া ভ্ৰণৰ লিংগ জন্মৰ আগতীয়া নিৰ্ণয়ৰ অভ্যাসৰ বিপৰীতে জনসচেনতা বৃদ্ধি কৰা;

(খ) ৰাজ্যখনৰ প্ৰকৃত প্ৰাধিকাৰী সমূহে সমাপন কৰা কাৰ্যাৱলী পৰ্যালোচনা কৰা আৰু সেই সমূহৰ বাবে যথোপযুক্ত কাৰ্য চুপাৰিশ কৰা,

(গ) আইনখনৰ ব্যৱস্থাৱলীৰ আৰু নিয়মাৱলীৰ প্ৰয়োগৰ তদাৰক কৰা আৰু সেইবোৰৰ হকে বৰ্ডলৈ যথোপযুক্ত কাৰ্য চুপাৰিশ কৰা;

(ঘ) আইনখনৰ অধীনত ৰাজ্যখনত ব্যৱস্থা গ্ৰহণ কৰা বিভিন্ন কাৰ্যাবলীৰ ক্ষেত্ৰত বিহিত অনুসৰি একত্ৰিত প্ৰতিবেদন বৰ্ড আৰু কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা; আৰু

(ঙ) আইনখনৰ অধীনত বিহিত কৰা মৰ্মে অন্যান্য যিকোনো কাৰ্যাৱলী।

---

২০) দফা (চ) ১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ বাবে ২০০৩ ৰ ১৪ আইন যোগে ধাৰা ১১ সলনি কৰা হৈছে, ইয়াৰ সাল-সলনিৰ আগে দিয়া (চ) ত দিয়া ধৰণে পঢ়ক-

"কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিত লিংগ নিৰ্ণয়ৰ কাৰণে জন্মৰ আগতীয়া চিনাক্তকৰণ পদ্ধতি ব্যৱহাৰ বা বিকাশৰ লগত জৰিত আছে?

২১) ধাৰা ১২ (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ ২০০৩ ৰ ১৪ আইনযোগে অৰ্ন্তভূক্তি কৰা হৈছে।

২২) ধাৰা ১৬ (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ বাবে ধাৰা ১৩-২০০৩ ৰ ১৪ আইন যোগে সাল-সলনি কৰা হৈছে। ইয়াৰ সালসলনিৰ পূৰ্বে দফা ১৬ ত দিয়া ধৰণে পঢ়ক- "১৬ বৰ্ডৰ কাৰ্যাৱলী - নিম্নউল্লিখিত কাৰ্যাৱলীবোৰ বৰ্ডে কৰিব, যেনে,

(১) জন্মৰ আগতীয়া নিৰ্ণয় পদ্ধতি প্ৰয়োগে সম্পৰ্কত জৰিত প্ৰক্ৰিয়াৰ বিষয়ে চৰকাৰক পৰামৰ্শ দিয়া;

(২) আইন আৰু ইয়াৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ প্ৰয়োগে পৰ্যালোচনা কৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ উপৰিউক্ত আইন আৰু নিয়মাৱলীত সাল-সলনি চুপাৰিশ কৰা;

(৩) জন্মৰ পূৰ্বে লিংগ নিৰ্ণয় আৰু কন্যা ভ্ৰুণ হত্যা কৰা অভ্যাসৰ বিৰুদ্ধে ৰাজহুৱা সজাগতা সৃষ্টি কৰা,

(৪) জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ আৰু ক্লিনিক সমূহত কাম কৰা ব্যক্তি সকলে লিপিবদ্ধ কৰা 'কোড' লিপিবদ্ধ কৰা;

২) ৰাজ্যিক বৰ্ড গঠন কৰা হ'ব; ঃ

(ক) স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ দায়িত্বত থকা মন্ত্ৰীজনে ৰাজ্যখনত অধ্যক্ষ, পদেন হ'ব;
(খ) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্বত থকা সচিবজন উপাধ্যক্ষ, পদেন হ্বব;
(গ) মহিলা আৰু শিশু উন্নয়ণ, সমাজ কল্যাণ আইন আৰু ভাৰতীয় ঔষধ প্ৰক্ৰিয়া আৰু হোমিঅ'পেথিক বিভাগসমূহৰ দায়িত্বত থকা সচিব অথবা আয়ুক্তসকল পদেন সদস্য অথবা সেই বিভাগ সমূহৰ প্ৰতিনিধি;
(ঘ) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ নাইবা ভাৰতীয় ঔষধ প্ৰক্ৰিয়া আৰু ৰাজ্য চৰকাৰৰ হোমিঅ' পেথিকৰ সঞ্চালক পদেন সদস্য;
(ঙ) বিধানসভা বা বিধান পৰিষদৰ ৩ জন মহিলা সদস্য;
(চ) ৰাজ্য চৰকাৰে নিয়োগ কৰিব লগীয়া ১০ জন সদস্যৰ প্ৰত্যেককে ২ জন সদস্য নিম্নলিখিত পৰ্যায়ৰ পৰা হ'ব:-

(১) প্ৰখ্যাত সমাজ বিজ্ঞানী আৰু ন্যায়িক বিশেষজ্ঞ,
(২) বে-চৰকাৰী সংস্থা বা অন্যান্য সংস্থাৰ পৰা প্ৰখ্যাত মহিলা কৰ্মী;-
(৩) প্ৰখ্যাত স্ত্ৰী-ৰোগ বিশেষজ্ঞ, ধাত্ৰীবিদ্যা বিশেষজ্ঞ বা স্ত্ৰীৰোগ বিশেষজ্ঞ অথবা প্ৰসূতি তন্ত্ৰজ্ঞ;
(৪) প্ৰখ্যাত শিশুৰোগ বিশেষজ্ঞ অথবা মেডিকেল জেনেটিষ্ট;
(৫) প্ৰখ্যাত ৰেডিঅ'লজিষ্ট বা চন'লজিষ্ট;

(ছ) সমাজ কল্যাণ ৰ যুটীয়া সঞ্চালকালয়ৰ দায়িত্বত থকা পদমৰ্যদাৰে তলৰ নোহোৱা এজন বিষয়াক সদস্য সচিব, পদেন সদস্য হ'ব;

৩) ৰাজ্যিক বোৰ্ডৰ বৈঠক অতিকমেও ৪ মাহৰ ভিতৰত এবাৰ অনুষ্ঠিত হ'ব।

৪) পদেন সদস্যৰ বাহিৰে এজন সদস্যৰ কাৰ্যকাল ৩ বছৰ হ'ব;

৫) পদেন সদস্যৰ বাহিৰে যি কোনো সদস্যৰ কাৰ্য্যকালত যদিহে পদখালী হয়, তেনেহলে ইয়াক নতুন নিয়োগৰ দ্বাৰা পূৰ্ণ কৰা হ'ব।

৬) ৰাজ্যিক বৰ্ডৰ যদি সদস্য এজন বিধান সভা বা বিধান পৰিষদৰ সদস্য হৈ বিধান সভাৰ মন্ত্ৰী বা অধ্যক্ষ অথবা উপাধ্যক্ষ হয় নাইবা বিধান পৰিষদৰ সভাপতি অথবা উপসভাপতি হয় তেনে হ'লে তেখেতে ৰাজ্যিক বৰ্ডৰ সদস্য পদ এৰিব লাগিব।

৭) বৰ্ডৰ মুঠ সদস্য সংখ্যা এক তৃতীয়াংশই $^{১}/_{৩}$ খুল গঠন কৰিব।

৮) ৰাজ্যিক বৰ্ডে প্ৰয়োজন সাপেক্ষে এজন সদস্য মনোনীত কৰিব পাৰিব। ব্যৱস্থা আছে যে মনোনীত কৰা সদস্য সংখ্যাই, বৰ্ডৰ সামৰ্থ্য মুঠ সংখ্যাৰ এক তৃতীয়াংশ $^{১}/_{৩}$ অতিক্ৰম কৰিব নোৱাৰিব।

৯) মনোনীত সদস্য সকলক অন্য সদস্য সকলৰ দৰে একে ক্ষমতা আৰু কৰ্তব্য থাকিব, ভোট দিয়াৰ অধিকাৰৰ বাহিৰে আৰু নিয়মাৱলী আৰু বিধিনিয়ম সমূহ পালন কৰিব লাগিব।

১০) বিষয়টোৰ সন্দৰ্ভত এই ধাৰাত নিৰ্দিষ্ট কৰা নাথাকিলে বৰ্ডে বৰ্ডৰ প্ৰতি প্ৰযোজ্য প্ৰক্ৰিয়া আৰু চৰ্ত সমূহ মানি চলিব।

---

২৩) ধাৰা ১৪(১৪-২-২০০৩ তাৰিখৰ পৰা) ২০০৩ ৰ ১৪ আইন যোগে অন্তৰ্ভূক্ত কৰা হৈছে।

(ঙ) কোনো ব্যক্তিৰ দ্বাৰা যিকোনো স্থানত লিংগ নিৰূপন ব্যৱস্থা ব্যৱহাৰ কৰাৰ বিপৰীতে উপযুক্ত ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰা, নিজা ববীয়াকৈ অথবা ইয়াক অবগত কৰি আকৌ এই বিষয় সন্দৰ্ভত স্বতন্ত্ৰ অনুসন্ধান ব্যৱস্থা কৰা;

(চ) লিংগ নিৰ্ণয় অথবা জন্মৰ আগতীয়া লিংগ নিৰ্ণয় কৰণৰ অভ্যাসৰ বিপৰীতে জন সচেতনতা সৃষ্টি কৰা;

(ছ) আইন আৰু নিয়মাৱলী ব্যৱস্থাৱলীৰ প্ৰয়োগ পৰ্য্যবেক্ষন কৰা

(জ) কাৰিকৰী অথবা সামাজিক অৱস্থাৰ ক্ষেত্ৰত সালসলনি অনুসৰি প্ৰয়োজনীয় নিয়মাৱলী সংশোধনী বৰ্ড আৰু ৰাজ্যিক বৰ্ডলৈ চুপাৰিশ কৰা;

(ঝ) পঞ্জীয়ণৰ প্ৰত্যাহাৰ অথবা নাকচকৰণৰ বাবে পৰামৰ্শদাতা সমিতিয়ে অনুসন্ধান কৰাৰ পিচত পৰামৰ্শদাতা সমিতিয়ে চুপাৰিশ কৰা মৰ্ম্মে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা।

৫) কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰে যথানুসাৰে প্ৰত্যেক প্ৰকৃত প্ৰাধিকাৰীক সহায় কৰিবলৈ আৰু প্ৰকৃত প্ৰাধিকাৰীক ইয়াৰ কাৰ্য্যাৱলী কৰিবলৈ পৰামৰ্শ দিয়াৰ বাবে এখন পৰামৰ্শদাতা সমিতিৰ সদস্য সকলৰ এজনক ইয়াৰ অধ্যক্ষ নিয়োগ কৰিব।

৬) পৰামৰ্শদাতা সমিতি গঠন কৰা হব-

(ক) স্ত্ৰীৰোগ বিশেষজ্ঞ, ধাত্ৰীবিদ্যা বিশেষজ্ঞ, শিশুৰোগ বিশেষজ্ঞ আৰু মেডিকেল জেনেটিষ্ট সকলৰ মাজৰ পৰা ৩ জন চিকিৎসক বিশেষজ্ঞ;

(খ) এজন ন্যায়িক বিশেষজ্ঞ;

(গ) ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয়শাসিত অঞ্চলৰ যথানুসাৰে তথ্য আৰু প্ৰচাৰৰ সৈতে বিভাগৰ পৰিচালনা কৰিবলৈ প্ৰতিনিধিত্ব কৰা এজন বিষয়া;

(ঘ) ৩ জন প্ৰখ্যাত সমাজকৰ্মী যত মহিলা সংগঠন প্ৰতিনিধিত্ব কৰা সকল মাজৰ পৰা কমেও এজন।

৭) লিংগ বাচনি সংকল্প অথবা বাচনিৰ কাৰণে জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া ব্যৱহাৰ তথা বিকাশৰ সৈতে সহযোগিতা কৰা কোনো ব্যক্তিকে পৰামৰ্শদাতা সমিতিৰ সদস্য হিচাপে নিযুক্তি দিব নোৱাৰিব।

---

২৪। দফা (ক) (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ধাৰা ১৫, ২০০৩ ৰ ১৪ আইন যোগে সলনি কৰা হৈছে। এই সালসলনিৰ পূৰ্বে দফা (ক) ত দিয়া ধৰণে পঢ়ক -- "(ক) যেতিয়া ৰাজ্যখনৰ গোটেই আংশৰ বাবে অথবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে নিয়োগ কৰা হয় তেনেহলে স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ যুটীয়া সঞ্চালক বা তাৰ ওপৰৰ পদমৰ্যদাৰ; আৰু"

২৫। ধাৰা ১৫ (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ২০০৩ ৰ ১৪ আইন যোগে অন্তৰ্ভূক্তি কৰা হৈছে।

২৬। উপধাৰা ৭ (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ধাৰা ১৫, ২০০৩ ৰ ১৪ আইন যোগে সলনি কৰা হৈছে। সালসলনিৰ পূৰ্বে উপধাৰা ৭ দিয়া ধৰণে পঢ়ক -- "৭ কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্যচৰকাৰৰ দৃষ্টিত যথানুসাৰে জন্মৰ আগতীয়া নিৰ্বাচন পদ্ধতিত ব্যৱহাৰ অথবা বিকাশত সহযোগিতা কৰা কোনো ব্যক্তিকে পৰামৰ্শদাতা সমিতিত সদস্য হিচাপে নিয়োগ কৰিব নোৱাৰিব"।

আংশিকভাবে বা একচেতিয়াভাবে জৰিত থাকে তেনেহলে ততালিকে এই আইন বলবৎ হোৱাৰ পূৰ্বে পঞ্জীয়ণৰ কাৰণে বলবৎ হোৱা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত আবেদন কৰিব পাৰিব।

(৪) ধাৰা ৬ ৰ ব্যৱস্থা অনুসৰি জন্ম বিষয়ক, জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা পৰিচালনাত থকা প্ৰতি পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকে এনে পৰামৰ্শ বা ব্যৱস্থা পৰিচালনা কৰিবলৈ এই আইন বলবৎ হোৱা তাৰিখৰ পৰা ৬ মাহৰ ভিতৰত ত্যাগ কৰিব লাগিব, যদিহে এনে কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকে পঞ্জীয়ণৰ কাৰণে আবেদন নিষ্পত্তি নোহোৱা পৰ্যন্ত, যিটো আগেয়ে হয়।

(৫) কোনো জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ; গৱেষণাগাৰ অথবা ক্লিনিক এই আইনৰ অধীনত পঞ্জীয়ণ কৰিব নোৱাৰিব, যদিহে প্ৰকৃত প্ৰাধিকাৰীয়ে এনে কেন্দ্ৰ, গৱেষণাৰ অথবা ক্লিনিকত বিহিত কৰা অনুযায়ী তেনে ধৰণৰ সুবিধা থকা স্থিতি, সা-সঁজুলি পৰিচালনা কৰা আৰু মাণদণ্ড নাই বুলি সন্তোষিত হয়।

১৯। **পঞ্জীয়ণ প্ৰমাণ পত্ৰ ঃ**

(১) প্ৰকৃত প্ৰাধিকাৰীয়ে তদন্ত কৰাৰ পিছত আৰু আবেদনখন আইনখনৰ মতে সকলো তথ্য আৰু সেই সন্দৰ্ভত প্ৰণয়ণ কৰা নিয়মাৱলী সমূহ তুলনা কৰি চোৱাৰ পিছত নিজকে নিজে সন্তোষিত হয় আৰু এই সৰ্ম্পকত পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শ অনুযায়ী যথানুসাৰে বিহিত প্ৰ-পত্ৰত যুটীয়াভাবে বা পৃথকভাবে জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ নাইবা ক্লিনিকৰ পঞ্জীকৰণৰ প্ৰমাণ পত্ৰ মঞ্জুৰ কৰিব পাৰে।

(২) যদি, তদন্তৰ পিছত আৰু আবেদনকাৰী কৰ্ণ গোচৰ হোৱা অনুযায়ী এক সুবিধা দিয়াৰ পিচত আৰু পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শ দিয়া অনুসৰি , প্ৰকৃত প্ৰাধিকাৰীয়ে আবেদনকাৰীজনে এই আইনৰ বা নিয়মাৱলীৰ প্ৰয়োজনীয়তাখিনি সংগ্ৰহ কৰা নাই বুলি সন্তোষিত হয়, তেনেহলে লিখিত তথ্যৰ ভিত্তিত আবেদনখন পঞ্জীকৰণৰ কাৰণে প্ৰত্যাখ্যান কৰিব।

(৩) প্ৰত্যেকখন পঞ্জীকৰণৰ প্ৰমাণ পত্ৰ বিহিত কৰা মাচুল আদায় দিয়াৰ ভিত্তিত ৰীতি অনুযায়ী আৰু পৰৱৰ্ত্তী সময়ৰ কাৰণে নবীকৰণ কৰিব লাগিব।

(৪) পঞ্জীকৰণৰ প্ৰমাণ পত্ৰখন পঞ্জীয়ণ কৰা জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকে ইয়াৰ ব্যৱসায়িক স্থানত চকুত লগাকৈ আৰি থ'ব লাগিব।

২০। **পঞ্জীয়ণৰ নাকচকৰণ আৰু প্ৰত্যাখান ঃ**

(১) পঞ্জীয়ণৰ নাকচকৰণ আৰু প্ৰত্যাখ্যান প্ৰকৃত প্ৰাধিকাৰীয়ে নিজাববীয়াকৈ অথবা অভিযোগৰ ভিত্তিত জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰি কিয় ইয়াৰ পঞ্জীকৰণ প্ৰত্যাখ্যান অথবা নাকচ কৰা উচিত নহব, জাননীখনত উল্লেখ কৰা কাৰণৰ হেতু।

---

২৭) ধাৰা ১৬ (১৪-২-২০০৩ তাৰিখৰ পৰা) ২০০৩ ৰ ১৪ আইন যোগে অৰ্ন্তভূক্তি কৰা হৈছে।

২৮) উপধাৰা (১), (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ২০০৩ ৰ ১৪ আইন যোগে সলনি কৰা হৈছে। ইয়াৰ সালসলনিৰ পূৰ্বে উপধাৰা (১) দিয়া ধৰণে পঢ়ক — "(১) কোনো ব্যক্তিয়ে জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিক খুলিব নোৱাৰিব এই আইন বলবৎ হোৱাৰ পিছত যদিহে এনে কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিক এই আইনৰ অধীনত পৃথকে বা যুটীয়াভাবে নিয়মমতে পঞ্জীয়ণ কৰা নহয়।"

(২) যদি, কর্ণগোচৰ হোৱা অনুসৰি উপযুক্ত সুবিধা জন্মবিষয়ক পৰামৰ্শদাতাকেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিক দিয়াৰ পাছত আৰু পৰামৰ্শ দাতা সমিতিৰ পৰামৰ্শ দিয়া অনুযায়ী প্ৰকৃত কৰ্তৃপক্ষই এই আইন অথবা নিয়মাৱলীৰ ব্যৱস্থা সমূহ ভংগ কৰিছে বুলি সন্তোষিত হয়, তেনেহলে ফৌজদাৰী দণ্ডৰ পুৰ্ব্বৱস্থা অবিহনে তেনে কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকৰ বিপৰীতে উপযুক্ত বুলি ভবা সময়ৰ কাৰণে পঞ্জীকৰণ প্ৰত্যাখ্যানৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে অথবা যথানুসাৰে ইয়াৰ পঞ্জীকৰণ নাকচ কৰিব পাৰে।

(৩) উপধাৰা (১) আৰু (২) ৰ যদিওবা কোনো বিষয়বস্তু আছে, যদিহে প্ৰকৃত প্ৰাধিকাৰীৰ দৃষ্টি ভংগীত বা বিবেচনা অনুসৰি জনস্বাৰ্থৰ খাতিৰত প্ৰয়োজনীয় অথবা জৰুৰীভাবে কৰিব লগীয়া হয়, তেনেহলে কাৰণ সমূহৰ লিখিত তথ্যৰ ভিত্তিত জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা যিকোনো ক্লিনিকৰ পঞ্জীকৰণ উপধাৰা (১) ৰ মৰ্মে যিকোনো জাননী জাৰি নকৰাকৈ প্ৰত্যাখ্যান কৰিব পাৰিব।

২১। **আপিল আবেদন ঃ** জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকে ধাৰা ২০ ৰ অধীনত প্ৰকৃত প্ৰাধিকাৰীৰ দ্বাৰা পঞ্জীকৰণ প্ৰত্যাখ্যান অথবা নাকচ কৰা নিৰ্দেশ প্ৰাপ্তিৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত এনে নিৰ্দেশনাৰ বিপৰীতে এক আপিল কৰিব পাৰিব--

১) আবেদন কেন্দ্ৰীয় প্ৰকৃত প্ৰাধিকাৰীৰ নিৰ্দেশৰ বিপৰীতে হলে কেন্দ্ৰীয় চৰকাৰলৈ; আৰু

২) আবেদন ৰাজ্যিক প্ৰকৃত প্ৰাধিকাৰীৰ নিৰ্দেশৰ বিপৰীতে হলে ৰাজ্য চৰকাৰলৈ, বিহিত কৰা ধৰণে আপিল কৰিব পাৰিব।

## অধ্যায়-৭

## অপৰাধ আৰু দণ্ড

২২। **গৰ্ভধাৰণ আৰু জন্মৰ পূৰ্বে লিংগ নিৰ্ণয় সম্পৰ্কিত বিজ্ঞাপনৰ নিষেধাজ্ঞা আৰু উলংঘণৰ বাবে শাস্তি –**

(১) কোনো ব্যক্তি, সংগঠন, জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাৰ অথবা ক্লিনিককে ধৰি আল্ট্ৰাচাউণ্ড মেচিন বা ইমাজিং মেচিন, স্কেনাৰ অথবা যিকোনো কাৰিকৰী ব্যৱস্থাই লিংগ নিৰ্ণয় কৰিব পৰা ক্ষমতা থকা ক্লিনিকে, গৱেষণাগাৰ অথবা কেন্দ্ৰই যিকোনো প্ৰকাৰেৰে ইন্টাৰনেটৰ যোগে এনে কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক বা আন যিকোনো ঠাইত জন্মৰ আগেয়ে লিংগ নিৰ্ণয় বা বাছনিৰ সুবিধা থকা অন্য যিকোনো অনুষ্ঠানে প্ৰচাৰ, বিতৰণ নাইবা যোগাযোগ কৰিব নোৱাৰিব।

(২) কোনো ব্যক্তি অথবা সংগঠনকে ধৰি জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকে প্ৰচাৰ, বিতৰণ, যোগাযোগ কৰিব নোৱাৰিব নাইবা জন্মৰ আগতীয়া লিংগ নিৰূপন অথবা গৰ্ভধাৰণৰ পূৰ্বে লিংগ সম্পৰ্কিত বৈজ্ঞানিক অথবা যিকোনো প্ৰকাৰে যিয়েই নহওক প্ৰচাৰ বিতৰণ অথবা যোগাযোগৰ কোনো বিজ্ঞাপন দিব নোৱাৰিব।